**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-10-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

০০০০০০০০

ৰাজ্যত আজিৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ হৈছে। ইতিপূৰ্বে মিছন বসুন্ধৰাৰ প্ৰথম সংস্কৰণৰ অধীনত ৯ মাহত ভূমি পট্টা সম্পৰ্কীয় ৮ লাখ আবেদন নিষ্পত্তি কৰাৰ লগতে দ্বিতীয় সংস্কৰণত এবছৰত ২ লাখতকৈও অধিক খিলঞ্জীয়া লোকক ভূমিপট্টা দিয়া হৈছে বুলি মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ উদ্বোধন কৰি আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমিহীন লোকক ভূমি প্ৰদান, দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন কৰা লোকসকলৰ স্থগিত ৰখা আবেদনসমূহ পুনৰীক্ষণ, নগৰ আৰু কাষৰীয়া অঞ্চলত ৰেহাই প্ৰিমিয়াম হাৰত একচনীয়া পট্টাৰ ম্যাদীকৰণৰ কাম আৰম্ভ কৰা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰ অঞ্চল হিচাপে ঘোষিত এলেকাত দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, প্ৰসাৰিত ৰূপত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন, চাহ অনুদান ভূমিৰ পট্টাৰ শ্ৰেণী পৰিৱৰ্তন আৰু পট্টা প্ৰদান আদি কাৰ্যসূচী হাতত লোৱা হৈছে। ইয়াৰ লগতে ভূমি সম্পৰ্কীয় বিভিন্ন সেৱা ডিজিটাইজ কৰাৰ লগতে মানচিত্ৰ প্ৰকাশ আৰু জনসাধাৰণক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ প্ৰক্ৰিয়াটো সৰলীকৰণ কৰিবলৈ নতুন নিয়ম ৰূপায়ণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণত ৰাজ্যৰ ভূমিপুত্ৰ হিচাপে অনুসূচিত জাতি, অনুসূচিত জনজাতি, আদিবাসী, চাহ জনজাতি আৰু গোৰ্খাসকলে তিনিটা প্ৰজন্মৰ প্ৰমাণপত্ৰ দিয়াৰ প্ৰয়োজন নহ'ব। ইয়াৰ লগতে চহৰবাসীৰ বাবে প্ৰিমিয়ামৰ হাৰ আঞ্চলিক মূল্যাংকনৰ ৩ শতাংশলৈ হ্ৰাস কৰা হৈছে। ১৯৭১ চনৰ আগৰ শৰণাৰ্থীৰ প্ৰমাণপত্ৰ ধাৰকসকলকো মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ যোগ্য বুলি বিবেচিত কৰা হৈছে। এই অভিযানৰ জৰিয়তে অগ্ৰাধিকাৰপ্ৰাপ্ত গোটসমূহক ভূমিস্বত্ব প্ৰদান কৰা লগতে ভূমি সম্পৰ্কীয় সেৱাসমূহত স্বচ্ছতা আনিবলৈ প্ৰচেষ্টা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই অৱগত কৰে।

উল্লেখযোগ্য যে এই সেৱাসমূহৰ দ্বাৰা উপকৃত হ'বলৈ sewasetu.assam.gov.in-ত আবেদন কৰিব পাৰিব অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব।

০০০

ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে কালি ৩ টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সমান্তৰালভাৱে নিৰ্বাচনী অভিযানো তীব্ৰতৰ কৰি তুলিছে। দলটোৱে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। ইফালে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰজোঁটেও নিৰ্বাচনী প্ৰস্তুতি চলাইছে যদিও এতিয়ালৈকে কোনো প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সমষ্টিকেইটাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা দহ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী, ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ ভাষিক

বা ধৰ্মীয় গোটক আঘাট হানিব পৰা বিষয় লৈ যুগুত কৰা বেনাৰ পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান সংগ্ৰহ, আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, চৰকাৰী বিষয়া-কৰ্মচাৰী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০

ভাৰত চৰকাৰৰ বেটী বচাও, বেটী পঢ়াও আঁচনিৰ অধীনত মাজুলী জিলা সমাজ কল্যাণ বিভাগৰ দ্বাৰা গড়মূৰ কাছাৰী ময়দানত আজি মাজুলী জিলাভিত্তিক এখন এদিনীয়া মহিলা ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিধায়ক ভূৱন গামে প্ৰতিযোগিতাখন উদ্বোধন কৰে। অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কথাশিল্পী ইমৰাণ শ্বাহলৈ চলিত বৰ্ষৰ মোজাম্মিল হক স্মাৰক মাতৃভাষা বঁটা আগবঢ়োৱা হৈছে। শ্বহীদ মোজাম্মিল হক স্মাৰক মাতৃভাষা দিৱস পৰিচালনা সমিতি আৰু সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ দৰং জিলা সমিতিৰ উদ্যোগত আয়োজিত কেন্দ্ৰীয় মাতৃভাষা দিৱস উপলক্ষে এই বঁটাৰ সূচনা কৰা হৈছে। দৰং জিলাৰ এটা প্ৰতিনিধি দলে কথাশিল্পী গৰাকীক আজি শিৱসাগৰত থকা তেওঁৰ বাসগৃহত আনুষ্ঠানিকভাৱে বঁটাটো প্ৰদান কৰে। বঁটাত এখন অংগবস্ত্ৰ, এটা জাপি, এটা স্মাৰক, এখন অভিনন্দন পত্ৰ আৰু এখন শৰাইৰ লগতে নগদ ধন আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে ১৯৭২ চনৰ ৫ অক্টোবৰৰ দিনা শ্বহীদ মোজাম্মিল হকে মাধ্যম আন্দোলনত অংশগ্ৰহণ কৰিবলৈ গৈ আহত হৈছিল আৰু পাছদিনা ৬ অক্টোবৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল। অসমৰ মাধ্যম আন্দোলনৰ প্ৰথম শ্বহীদগৰাকীৰ স্মৃতি ৰক্ষাৰ্থে ২০০৮ চনৰ পৰা ৬ অক্টোবৰ দিনটোত কেন্দ্ৰীয় মাতৃভাষা দিৱস হিচাপে পালন কৰা হৈছে।

০০০

আজি যোৰহাটৰ পৰিবহন বিভাগৰ উদ্যোগত যান-বাহন আৰক্ষী আৰু ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ উপস্থিতিত ডাম্পাৰ চালকসকলৰ বাবে বিশেষ পথ সুৰক্ষা সজাগতা অভিযান সম্পন্ন হয়। অভিযানত চালকসকলক সমাগত শীতকালত নিৰাপদে গাড়ী চলোৱাৰ বাবে প্ৰয়োজনীয় সুক্ষ্ম দিশসমূহৰ বিষয়ে অৱগত কৰা হয়। সজাগতা কাৰ্যসূচীত প্ৰায় ৭০জন চালক আৰু ডাম্পাৰৰ স্বত্বাধিকাৰীয়ে অংশগ্ৰহণ কৰে।

ইফালে, যান-বাহন বিভাগৰ উদ্যোগত অনুষ্ঠিত আন এখন সজাগতা সভাত ২ নম্বৰ বামুণগাঁৰৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ গাড়ীচালক আৰু সহযোগীসকলক গাড়ী চলোৱাৰ লগতে গাড়ীৰ যন্ত্ৰ সম্পৰ্কীয় প্ৰশিক্ষণ দিয়া হয়।

০০০

সমাপ্ত